দেখোন তাৰ তলি উদং! অৱশেষত বন্ধকী থোৱা মাটি বিঘা মহাজনৰ নামত লিখি দিম বুলি প্ৰতিশ্ৰুতি দি বংমন মহাজনৰপৰা টকা আনি সি মুখৰ ছাই গুচালে।

বাপেকৰ মৃত্যুৰ লগে লগে ধনঞ্জয়ৰ ঘৰুৱা অৱস্থাৰ দ্ৰুত অৱনতি ঘটিল। দিনটো তলো তলোকৈ ঘূৰি ফুৰি চাকৰি বিচাৰে আৰু সন্ধিয়া ঘৰলৈ আহি মাকে ইঘৰ-সিঘৰত কাম কৰি পোৱা সামান্য আহাৰকণ খাই পাটিত পৰে। পাঁচহাজাৰমান টকা ভেটি দিব পাৰিলে সি চাকৰি এটা পাব। কিন্তু পাঁচহাজাৰ টকা হাতত থাকিলে গাঁৱতেইচোন সৰু-সুৰা ব্যৱসায় কৰি সি চলি যাব পাৰে। কেতিয়াবা তাৰ মনটো বিদ্ৰোহী হৈ উঠে। কেতিয়াবা হতাশ হৈ পৰে। মনত পৰে বাপেকৰ অস্থি চৰ্ম-সাৰ দেহটোৰ কথা। হাড় ভগা পৰিশ্ৰম কৰি বাপেকে মাকে তাক পঢ়ুৱালে অথচ সি এতিয়াও পৰ-মুখাপেক্ষী হৈয়েই থাকিল।

এদিন দুদিনকৈ পাৰ হৈ থাকে তাৰ দুখৰ দিনবোৰ! এনেতে হঠাৎ এদিন গুৱাহাটী চহৰৰ প্ৰেছ এটাৰ মালিকৰ পৰা সি এখন চিঠি পালে। চিঠি পোৱামাত্ৰে তাক প্ৰেছলৈ যাবলৈ কৈছে। আশা নিৰাশাৰ দোমোজাত ধনঞ্জয়ৰ মন ব্যাকুল হ'ল। নিশাটো কোনোমতে কটাই ৰাতিপুৱা মাকে কৰি দিয়া শুকান ৰুটি দুখন আৰু পানী এগিলাচ খাই সি গুৱাহাটী অভিমুখে যাত্ৰা কৰিলে। সিহঁতৰ ঘৰৰপৰা গুৱাহাটীলৈ প্ৰায় ১০ মাইল বাট। পইচাৰ অভাৱত সি খোজকাঢ়িয়েই যাবলৈ ঠিক কৰিলে।

প্ৰেছ পাওঁতে পাওঁতে প্ৰায় ১১ মান বাজিল। হাতত ঘড়ী নাছিল বাবে সময়টো সি অনুমান কৰি ললে। কিন্তু প্ৰেছৰ মালিক অইন মানুহৰ লগত ব্যস্ত থকা বাবে প্ৰায় তিনিমান বজালৈকে সি ৰ'ব লগা হ'ল। মালিক আজৰি হৈ তাক মাতি পঠিয়ালে। ধনঞ্জয়ৰ বুকুত ঢুকু-ঢুককৈ কঁপনি উঠিল। যদি সি চাকৰিটো পায়! আঃ কিমান যে আনন্দ হ'ব। নিজে পৰিশ্ৰম কৰি অৰ্জা ধনেৰে সি মাকক খুৱাব পাৰিব! অনেক আশা বুকুত বান্ধি থৰক-বৰক খোজেৰে সি মালিক বহি থকা কোঠাটোলৈ সোমাই গ'ল। সি সোমাই যোৱাৰ লগে লগে মালিকে কলে—'মই দুঃখিত, তোমাক প্ৰুফৰিডাৰৰ পদ এটাত মকৰল কৰিম বুলি ভাবিছিলোঁ। কিন্তু ইতিমধ্যে মই এজন অভিজ্ঞ কৰ্মচাৰী পালোঁ। জানাইতো নতুন মানুহতকৈ পুৰণা মানুহ পালে আমাৰ লাভ বেছি। তুমি বেয়া নাপাবা। আকৌ কেতিয়াবা পদ খালী হ'লে মই তোমাক জনাম বাৰু।' ধনঞ্জয়ে কোনো উত্তৰ নিদি নমস্কাৰ জনাই মালিকৰ কমৰপৰা ওলাই আহিল।

বাহিৰলৈ আহি প্ৰেছৰ দুৱাৰ মুখতে থকা কৃষ্ণচূড়া জোপাৰ তলত সি বহি পৰিল। দিনটোৰ সমষ্ট ভাগৰে তাক জুমুৰি দি ধৰিলে। অথচ সি খোজ কাঢ়িয়েই উভতি যাব লাগিব তাৰ নিজৰ ঘৰলৈ। লাহে লাহে বেলি লহিয়াইছে। ধনঞ্জয় বহাৰপৰা উঠিল। আহোঁতে মনত যি অদম্য উৎসাহ লৈ আহিছিল, যাবৰ সময়ত সি চেঁচা পৰি গ'ল। এখোজ দুখোজকৈ সি গৈ থাকিল ঘৰ অভিমুখে।

ঘৰ পাই হাত-ভৰি নোধোৱাকৈয়ে সি তাৰ নিৰ্দিষ্ট বাঁহৰ চাংখনত বাগৰি পৰিল।

অৱস্থা বুজি মাক দৌৰি আহিল। গাত হাত দি চালে, ভীষণ জ্বৰ। একমাত্ৰ ল'ৰাৰ দুৰ্গতি দেখি মাকে চকুলো টুকিলে। ভৰি হাত ধুৱাই তাৰ গাত আওপুৰণি কেঁথাখন জাপি দিলে আৰু কলে—'বাছা তই আৰু কলৈকো নোলাবি। চাকৰি তোৰ ভাগ্যত নাই। কণা বিধাতাই দুখীয়াৰ দুখ অকণো নুবুজে। মই নমবালৈকে তোক খুৱাব পাৰিম তই চিন্তা নকৰিবি।'

মাতৃৰ অপত্য স্নেহত ধনঞ্জয়ৰ মনটোৱে হাঁহা-কাৰ কৰি উঠিল। তেল চিকটা লগা গাৰুটোতে মুখখন গুজি দি সি তেনেকৈয়ে পৰি থাকিল।

পিছদিনা সি গা অলপ ভাল পলে। ঘৰ-টোৰ পিৰালিত পীৰা এখন পাৰি লৈ তাতে বহি সি মাকে দি যোৱা ফিকা চাহ এটোপা খাই আকাশ-পাতাল ভাবিবলৈ ধৰিলে। এনেতে আহিল ৰজত তাৰ পুৰণা বন্ধু। ৰজতৰ ঘৰ সিহঁতৰ গাঁৱতে। দুয়ো একেলগে পঢ়িছিল যদিও ৰজতে বি, এ পাছ কৰিব নোৱাৰিলে। নোৱাৰিলে মানে সি পৰীক্ষাই নিদিলে। পৰীক্ষা হলত ল'ৰা-ছোৱালীবোৰৰ মুখ দেখিলে তাৰ হেনো বৰ দুখ লাগে। ফেইল কৰাবোৰৰতো কথাই নাই, পাছ কৰাবোৰেনো ক'ত কি চাকৰি পাব! সি আজি কালি ৰাজনীতিত লাগিছে। এই সমাজ ব্যৱস্থাত হেনো সিহঁত সন্তুষ্ট নহয়। গতিকে সি গাঁৱে গাঁৱে ঘূৰি ফুৰে আৰু দুখীয়া ৰাইজক বুজাই, কেনেকৈ আজি এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক শোষণ কৰিছে, জাতি-ধৰ্মৰ নামত মানুহৰ মনত কেনেকৈ বিভেদৰ বীজ সিঁচি দিছে ইত্যাদি। যিয়ে খেতি কৰিব লাগে সেইসকলৰ মাটি নাই, গৰু নাই; অথচ যিবিলাক ডাঙৰ ডাঙৰ খেতিয়ক—যাৰ উবাল ধনেৰে উভৈনদী—সেইসকলে হয়তো পথাৰ গছকিয়েই পোৱা নাই ইত্যাদি। ৰজতে ধনঞ্জয়ক কেবাদিনো কৃষক সভালৈ যাবলৈ লগ ধৰিছে। দুই এদিন সি গৈছেও। পিছে কি হ'ব সি ভালদৰে বুজিয়েই নাপায় সিহঁতৰ কথাবোৰ।

ৰজতে পীৰা এখন চপাই লৈ ধনঞ্জয়ৰ ওচৰতে বহিল আৰু ধনঞ্জয়ৰ খা-খবৰ ললে। আগদিনাৰ কাহিনীটো ধনঞ্জয়ে বিৱৰি ক'লে। ৰজতে ক'বলৈ ধৰিলে—'চা ধনঞ্জয়! তোৰ যি সমস্যা এয়া অকল তোৰেই নহয়—সমগ্ৰ দেশৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ সমস্যা। দেশজুৰি অন্ন বস্ত্ৰৰ সমস্যা দিনে দিনে প্ৰকট হৈ আহিছে। দেশৰ আইন, আদালত, অৰ্থনৈতিক গাঁথনি কেইজনমান মুষ্টিমেয় মানুহৰ দ্বাৰা নিয়ন্ত্ৰিত। গতিকে এই ব্যৱস্থা ভাঙি এখন নতুন সমাজ গঢ়ি তুলিব লাগিব। এতিয়া বহি থকাৰ সময় নহয়। মানুহক বুজাব লাগে—সকলোৱে মিলি এখন নতুন সমাজ গঢ়িবলৈ সংগ্ৰাম কৰিব লাগে। মই যি পথেৰে আহিলোঁ। তয়ো সেই পথকে অনুসৰণ কৰিবি বুলি মই আশা কৰোঁ। এনেদৰে ভাবি-চিন্তি বহি থাকিলে সমস্যাৰ ওৰ নপৰে।'

ৰজত গ'লগৈ। কিন্তু ধনঞ্জয়ৰ মনৰ পথাৰত সিঁচি থৈ গ'ল নতুন কঠীয়াৰ বীজ। সি কঠোৰ পৰিশ্ৰম কৰিব। পাঠ্যপুথিৰ শিক্ষাই আচল শিক্ষা নহয়। কৰ্মবিমুখ শিক্ষা পদ্ধতিয়ে বেছি ভাগ যুৱক-যুৱতীকে নিবনুৱা হবলৈ বাধ্য কৰিছে। সি স্থিৰ কৰিলে বাকী থকা মাটি দুবিঘাত বাপেকে এৰি থৈ যোৱা গৰুহালেৰে সি খেতি কৰিব। দুজনহে মানুহ, চলি যাব কিবাকৈ। তাৰ মাজেৰে সি ৰজতহঁতকো সহায় কৰিব। জীয়াই থকাৰ নতুন পথ বিচাৰি পাই ধনঞ্জয়ৰ মনটো ফৰকাল লাগিল।

গল্প

# : মণি মুক্তা :

শ্ৰীঅতুল চন্দ্ৰ দাস
একাদশ শ্ৰেণী

সেই পঙ্গু মানুহজন, ৰাছখন বাছষ্টেণ্ডত ৰৈ যোৱাৰ লগে লগে হয়তো আজিও সি লাখুটিডালৰ ওপৰত ভৰ দি বাছখনত উঠি পৰিব আৰু তাৰ লেতেৰা হাতখন বহি থকা যাত্ৰী-সকলৰ সন্মুখত মেলি ধৰি মিনতি কৰি ক'ব— 'বাবু এটা পইচা দিব।'

আমাৰ বাছখন আগবঢ়াৰ লগে লগে মোৰ সোঁহাতে বহি থকা মুক্তাৰকালৈ চালোঁ। তাই উদাস ভাৱে গাড়ীৰ খিৰিকিৰে বাহিৰলৈ চাই গৈছে। তাইৰ চিন্তা জগতত হয়তো তোলপাৰ লাগিছে। বহু বছৰ বিৰতিৰ মূৰকত আজি তাই তাইৰ একমাত্ৰ ককায়েক মণিক পুনৰ লগ পাব। বাছখনে পূৰ্ণগতি লোৱাৰ লগে লগে মোৰো মানসপটত জিলিকি উঠিল সেই পঙ্গু ভিক্ষাৰীজনৰ প্ৰতিচ্ছবি।

তাৰ সোঁ-ভৰিখন নাই। সংসাৰত কেও কিছু নোহোৱা এই পঙ্গু মানুহজন আজি কিছুদিন আগবেপৰা সৰু বাছ ষ্টেছনটোত আছেহি। তাৰ গাত এটা পুৰণি টাপলিমৰা পেণ্ট আৰু এটা ফটা-ছিটা চোলা। ভিক্ষাই তাৰ জীৱন ধাৰণৰ একমাত্ৰ অৱলম্বন। কান্ধত ভিক্ষাৰ জোলোঙাখন ওলোমাই লৈ লাখুটিডালৰ ওপৰত ভৰ দি দি বাছৰ যাত্ৰীসকলৰ ওচৰত ভিক্ষা মাগে, লেতেৰা হাতখন আগবঢ়াই দি কয়— বাবু এটা পইচা দিব। কিছুমানে দয়া পৰৱশ হৈ দহ বিশ পইচা দিয়ে। কিছুমানে আকৌ অকাৰণতে তাক দাবি-ধমকি দিয়ে। তথাপিও খোজে সি। মানুহৰ লাঞ্ছনা গঞ্জনা যেন তাৰ পথৰ লগৰী। পইচা পালে তাৰ মুখত বিৰিঙি উঠে এটা বিমল হাঁহি। মুখেৰে বিৰ-বিৰাই দাতাক আশীৰ্বাদ তথা ধন্যবাদ দিয়ে। কেতিয়াবা পায়, কেতিয়াবা নাপায়। নাপালেও কাৰো ওচৰত সি অভিযোগ নকৰে। অতি আগ্ৰহেৰে বাট চাই থাকে পিছৰখন বাছলৈ। দিনটো ভিক্ষা কৰি পোৱা পইচাৰে কিবা-কিবি অলপ খাই নিশাটোৰ বাবে পৰি থাকে ৰাজ্যিক পৰিবহন নিগমৰ আস্থানৰ ঘৰটোৰ বাৰান্দাত। পুৱা উঠি পুনৰ আৰম্ভ কৰে তাৰ দৈনন্দিন জীৱনৰ গতানুগতিক কাৰ্য। এনেকৈয়ে চলি থাকে সি পৰমুখাপেক্ষী হৈ।

এদিন গুৱাহাটীৰপৰা আহোঁতে এই সৰু ষ্টেছনটোত পঙ্গু ভিক্ষাৰীজনক প্ৰথম লগ পাওঁ। কৰ্মক্ষেত্ৰ গুৱাহাটী হোৱা বাবে মই গুৱাহাটীতে

থাকিবলৈ লৈছোঁ। মাজে মাজে ঘৰলৈ আহোঁ। আমাৰ ঘৰলৈ অহাৰ বাটতে পৰে এই ষ্টেছনটো। সিদিনা মই ঘৰলৈ আহিছিলোঁ। বাছখন আহি ষ্টেছনটোত ৰোৱাৰ পিছতে সি লাখুটিত ভৰ দি বাছত উঠি পৰিছিল আৰু যাত্ৰীসকলক উদ্দেশ্যি কৈছিল—"বাবু এটা পইচা দিব।" তাৰ অসহায় মুখখন দেখি মোৰ বৰ দুখ লাগিছিল। পৃথিৱীত মানুহৰ সীমাহীন দুখ-যন্ত্ৰণাৰ কথা ভাবি মই শিয়ৰি উঠিছিলোঁ। ইমানৰ পাছতো মানুহৰ জীয়াই থকাৰ কি প্ৰবল হেঁপাহ! লাহে লাহে সি মোৰ কাষ চাপিছিল। মই পকেটৰপৰা এখন দহটকীয়া নোট উলিয়াই তাৰ হাতত গুজি দিছিলোঁ। সি অবাক হৈ মোৰফালে চাইছিল। তাৰ পিছত তাৰ হাতত ধৰি বাছৰ পৰা নমাই দিছিলোঁ। বহুতৰ বাবে অবাঞ্ছনীয় মোৰ এই কাৰ্যই বাছৰ যাত্ৰীসকলৰ কৌতুহলী দৃষ্টি মোৰ ওপৰত পেলোৱাৰ সুবিধা দিছিল। কিন্তু দুখ বেদনাৰে পৰিপূৰ্ণ মোৰ অন্তৰখনৰ কথা যাত্ৰীসকলে উপলব্ধি কৰিব পৰা নাছিল। পঙ্গু ভিক্ষাৰীজনে দহটকীয়া নোটখন হাতেৰে লিৰিকি বিদাৰি চাইছিল আৰু লাহে লাহে সেই ঠাইৰ পৰা আঁতৰি পৰিছিল। মাথো মোৰ অন্তৰত দি গৈছিল এক অবুজ বেদনাৰ আঘাত। পৃথিৱীত সকলো মানুহ একে নহয় কিয়? মানুহৰ জীৱনৰ কিয় এনে আলাই-আথানি হয়??

সময়বোৰ পাৰ হৈ যায় পাখি লগা কাঁড়ৰ দৰে। অন্য এদিন এই পঙ্গু ভিক্ষাৰীজনক লগ পাবলৈকে ঘৰলৈ অহাৰ বাটত এই সৰু ষ্টেছন-টোত নামি পৰিছিলোঁ। যাত্ৰীসকলৰ ওচৰত ভিক্ষা কৰি আঁতাই সি এটা সময়ত বাটৰ কাষত থকা বটগছ জোপাৰ ছাঁত বহি পৰিছিল আৰু কোনোবাই দিয়া ৰুটি এখন খাবলৈ আৰম্ভ কৰিছিল। মই গেটৰ কাষৰ দোকান এখনৰ পৰা ৰুটি এটা কিনি ভিক্ষাৰীজনৰ ওচৰলৈ গৈছিলোঁ আৰু তাৰ হাতত ৰুটিটো গুজি দিছিলোঁ। ভিক্ষাৰীজনে মোক চিনি পাইছিল আৰু কৈছিল—

: 'আপুনি কোন? কিয় মোক বাৰে বাৰে এইদৰে ঋণী কৰিছে।' তাৰ প্ৰশ্নৰ উত্তৰ হিচাপে মই কি কোৱা উচিত সেই মুহূৰ্ত্তত পাহৰি গৈছিলোঁ। দৰাচলতে তাৰ জীৱনৰ খুটি-নাটি জানিবৰ বাবেহে মই সেইদিনা তাৰ ওচৰলৈ গৈছিলোঁ। তাৰ প্ৰশ্নটো এৰাই গৈ মই সুধিছিলোঁ—

'তোমাৰ ঘৰ ক'ত? কিয় তুমি এনেদৰে সদায় ভিক্ষা কৰা, মোক ভালদৰে বুজাই ক'বা নে?'

কিছু সময় বৈ ভিক্ষাৰীজনে এটা দীঘল হুমুনি-য়াহ কাঢ়ি কৈছিল—

"মোৰ ঘৰ? মোৰ ঘৰ আছিল তেজপুৰৰ ওচৰত, ভোলাগুৰি গাঁৱত। এয়া বহুত বছৰ আগৰ কথা। কিছুমান অতীত স্মৰণ নকৰাই ভাল। কাৰণ স্মৃতিয়ে দুখহে কঢ়িয়াই আনে। তথাপি আপুনি জানিবলৈ বিচাৰিছে যেতিয়া কওঁ। মা-দেউতা, ভনী এজনীৰে সৈতে মোৰো এখন সুখৰ ঘৰ আছিল। মা-দেউতাই মোৰ নাম ৰাখিছিল মণি আৰু ভনীজনীৰ নাম দিছিল মুক্তা। আমি তেতিয়া সৰু। এদিন মণি আৰু মুক্তাক শোক সাগৰত পেলাই থৈ মা-দেউতা গুচি গৈছিল। কিবা এক অচিন ৰোগত সেই বছৰ আমাৰ গাঁৱৰ বহুতৰে অকাল মৃত্যু

হৈছিল। তেতিয়াৰে পৰা অকণমানি মুক্তাক বুকুত আঁকোৱালি লৈ বহুকেইটা বছৰ অতিৱাহিত কৰিছিলোঁ। কিন্তু তাতো নিয়তিৰ চকু পৰিল। নিষ্ঠুৰ নিয়তিয়ে এইবাৰ ঘটালে মণি-মুক্তাৰ বিচ্ছেদ"।

ভিক্ষাৰী মণিৰ মাত থোকাথুকি হৈছিল, দুচকুৰে বৈ আহিছিল দুধাৰি চকুলোঁ। লেতেৰা কামিজটোৰে চকুৰ পানী মচি মচি এটা সময়ত সি প্ৰকৃতিস্থ হৈছিল আৰু পুনৰ আৰম্ভ কৰিছিল তাৰ জীৱনৰ মৰ্মান্তিক কাহিনী।

' এবাৰ আমি দুয়ো মোমাইদেউহঁতৰ ঘৰলৈ বুলি বাছত উঠিছিলোঁ। আধামান বাট যোৱাত হঠাৎ সন্মুখৰ ফালৰ পৰা তীব্ৰ বেগেৰে অহা ট্ৰাক এখনে আমাৰ বাছখনত খুন্দা মাৰে। পিছত কি হ'ল মই একো কব নোৱাৰিলোঁ। বহু সময়ৰ পিছত জ্ঞান পাই চাৰিওফালৰ পৰি-বেশ দেখি বুজিব পাৰিলোঁ মই হস্পিতালত, সমগ্ৰ গাত বিষ। তথাপিও অতি কষ্টে বাওঁফালে বাগৰ সলাবলৈ চেষ্টা কৰি সোঁভৰিখন দাঙিব খুজিছিলোঁ। কিন্তু আকৌ অজ্ঞান হৈ পৰি গলোঁ। পিছত নাৰ্চ এগৰাকীৰ পৰা গম পাইছিলোঁ যে ট্ৰাকৰ খুন্দাত আমাৰ বাছখন নৰ্দমাত পৰি যায় আৰু বহুতো যাত্ৰীৰ খুন হয়। তাৰে কেইজনমানৰ পিছত মৃত্যু হয়। দুৰ্ঘটনাত মোৰ সোঁভৰিখন সম্পূৰ্ণৰূপে ভাঙিছে। লাহে লাহে মোৰ মনত পৰিছিল মণিৰ কথা। মণি ক'ত? কিন্তু কোনেও ক'ব নোৱাৰিলে। বহুদিন হস্পি-তালত কটাই এদিন মই হাতত লাখুটি লৈ হস্পিতালৰ পৰা ওলাই আহিছিলোঁ। মোৰ সোঁভৰিখন কাটিব লগীয়া হ'ল। পঙ্গু শৰীৰটোৰে কাৰো বোজা হ'বৰো মন নগ'ল। গতিকে এই ভিক্ষা বৃত্তিকে অৱলম্বন কৰি ৰাইজৰ বোজা হৈ থাকিলোঁ। মুক্তাৰ কি হ'ল আজিও কিন্তু মই বুজি নাপালোঁ। হয়তো সেই দুৰ্ঘটনাত তাইৰ মৃত্যু হ'ল, অথবা মোৰ দৰে পঙ্গু অৰ্থৱ হৈ কাৰোবাৰ অনুগ্ৰহত এতিয়াও জীয়াই আছে।"

কথাখিনি কৈ সি হুকহুকাই কান্দি উঠিল। তাক সান্ত্বনা দিয়াৰ ভাষা মই বিচাৰি নাপালোঁ। বহুপৰ মৌন হৈ থকাৰ পিছত মই কৈছিলোঁ—

ঃ 'তুমি মুক্তাৰ কথাৰ চিন্তা নকৰিবা, তাই ক'ৰবাত ভালভাৱে জীয়াই থাকিবও পাৰে।'

ঃ 'এৰা পাৰে। থোকা থুকি মাতেৰে সি কৈছিল।' যদি আছে তাই কুশলে থাকক—এয়ে মোৰ মনৰ কামনা।' অলপ বৈ সি আকৌ আৰম্ভ কৰিছিল—

"এবাৰ যদি তাইৰ মুখখন দেখিলোহেঁতেন, মোৰ এই পঙ্গু জীৱনৰ সমস্ত বেদনা হয়তো পাহৰি থাকিব পাৰিলোঁহেঁতেন।"

তাৰ পিছত মুক্তাৰ বিষয়ে কেইটিমান কথা সুধি সেইদিনাৰ বাবে তাৰপৰা বিদায় লৈ গুচি আহিছিলোঁ। মনে মনে আশা কৰিছিলোঁ যদি দুৰ্ঘটনাত মৃত্যু হোৱা নাই তেনেহলে এদিন নহয় এদিন মণি ভিক্ষাৰীয়ে তাৰ মৰমৰ ভনী মুক্তাক লগ পাব।

ভৱাতকৈ বেছি সোনকালেই সেই দিনটো উপস্থিত হ'ল। মোৰ সোঁকাষে বহি থকা মৰম লগা ছোৱালীজনী—তায়েই মণিৰ ভনী মুক্তা।

কালি বিশেষ সকামত মই গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিছিলোঁ। মোৰ বি, এ, পৰীক্ষাৰ "পাছ চাৰ্টিফিকেট"খন সময়ৰ অভাৱত

উলিয়াব পৰা নাছিলোঁ। কিন্তু কৰ্মক্ষেত্ৰত সেই খন জৰুৰী হোৱাত বিশ্ববিদ্যালয়লৈ আহিবলৈ বাধ্য হৈছিলোঁ। লবালবিকৈ কামখিনি শেষ কৰি গুৱাহাটীলৈ উভতি যাবৰ বাবে বাছৰ বাবে অপেক্ষা কৰিছিলোঁ। এনেতে মোৰ গাৰ কাষতে কোনোবাই মুক্তা বুলি মতা শুনিছিলোঁ।— 'মই উচপ খাই উঠিছিলোঁ। মনলৈ আহিছিল মণি ভিক্ষাৰীৰ প্ৰতিচ্ছবি। নিজৰ নাম কাঢ়ি মতা শুনি ছোৱালীজনী বৈ গৈছিল। তাৰ পিছত আটাইকেইজনী লগ লাগি একে লগে ফুট পাথেৰে খোজ কাঢ়ি গৈ আছিল। ময়ো মন্ত্ৰমুগ্ধৰ দৰে সিহঁতৰ পিছ লৈছিলোঁ। সিহঁত গৈ লাইব্ৰেৰীত সোমাইছিল। মই দুৱাৰ মুখতে সিহঁত ওলাই অহালৈ অপেক্ষা কৰিছিলোঁ। এঘণ্টামান পিছত ছোৱালীৰ জাকটো ওলাই আহিছিল। যথেষ্ট সচেতন হৈ মই মাত দিছিলোঁ।—

: 'ক্ষমা কৰিব। ইয়াত মুক্তা বৰুৱা নামৰ কোনোবা ছোৱালী আছে নেকি ?'

অথনি দেখা ছোৱালীজনী আগবাঢ়ি আহি কৈছিল—

: 'মোৰ নাম মুক্তা বৰুৱা। কিন্তু আপুনি ?'

মুক্তাৰ লগত মণিৰ মুখাবয়বৰ সম্পূৰ্ণ সাদৃশ্য আছে। মই এক প্ৰকাৰ নিশ্চিত হৈ কৈছিলোঁ।—

—'ধন্যবাদ, যদি মোৰ অনুমান সত্য হয় তেনেহলে তুমিয়েই মণিৰ ভনী মুক্তা। এদিন মণি নামৰ ভিক্ষাৰী এজনে কৈছিল, যদি মুক্তা এতিয়াও জীয়াই আছে থাকক। তাইৰ যেন মঙ্গল হয়।'

মই কৈ গৈছিলোঁ মণি ভিক্ষাৰীক লগ পোৱাৰ মৰ্মান্তিক কাহিনী। মুক্তাই নিৰ্বাক নিস্পন্দ হৈ শুনি গৈছিল। শেষত অস্থিৰ হৈ তাই চিঞৰি দিছিল—

—'মোক লৈ বলক। সি বৰ্তমান য'ত আছে তালৈকে মোক লৈ বলক। আজি ইমান বছৰ ধৰি তাৰ মই খবৰেই পোৱা নাই'

কান্দোনত ভাগি পৰিছিল মুক্তা। লগৰ ছোৱালী জাকে অবাক হৈ মোলৈ চাইছিল। মুক্তাক সান্ত্বনা দিয়াৰ ভাষা বিচাৰি মই বিমোৰত পৰিছিলোঁ। শেষত কৈছিলোঁ।—

: 'তুমি এতিয়া যোৱা। অহাকালি ঠিক আঠ বজাত জালুকবাৰী চাৰি আলিৰ বাছ ষ্টপেজত বৰি থাকিবা। মই আহি তোমাক মণিৰ ওচৰলৈ লৈ যাম। এতিয়া গ'লে তোমাৰ ঘুৰি আহিবলৈ অসুবিধা হ'ব।'

নিজেই নিজক সান্ত্বনা দি এটা সময়ত মুক্তা আঁতৰি গৈছিল। হয়তো জীৱন জুৰি পাই অহা দুখ বেদনাই তাইক সকলো সহ্য কৰিবলৈ শিকাইছে। তাৰ পিছত মই গুচি আহিছিলোঁ গুৱাহাটীলৈ।

ককায়েকক লগ পোৱাৰ দুৰ্বাৰ হেঁপাহে হয়তো তাইক গোটেই ৰাতি শুৱলৈ দিয়া নাই। তাইৰ চকুৰ পাহিত উজাগৰী ৰাতিৰ ছাপ স্পষ্ট হৈ জিলিকি আছে। মণি আৰু মুক্তাৰ আসন্ন মিলনৰ কথা ভাবি মই লাভ কৰিছোঁ অপৰিসীম আনন্দ। তাই বাৰু এতিয়া কি ভাবিছে ?

---

# প্ৰবন্ধ

## ॥ বড়ো লোক নৃত্য আৰু ইয়াৰ প্ৰভাৱ ঃ অসমীয়া কলা-কৃষ্টিত ইয়াৰ মূল্যাংকনৰ দায়বদ্ধতা ॥

শ্ৰীদিলীপ কুমাৰ বড়ো
২য় বাৰ্ষিক স্নাতক

বড়োসকল অসমৰ আদি ভূমি পুত্ৰ। এওঁলোক মঙ্গোলীয় গোষ্ঠীৰ লোক। নিজস্ব কলা-কৃষ্টিৰে বলিয়ান এই বড়োসকল সেই মহাভাৰতৰ যুগৰে অনাৰ্য গোষ্ঠীৰ লোক। কিৰাট বংশীয় বীৰ ভগদত্তক এই বড়োসকলৰে ৰজা আছিল বুলি এওঁলোকৰ কিছুমানে ক'ব খোজে। মহা বাহুবলী ভীমে হিড়িম্বা পুৰৰ (ডিমাপুৰ) ৰাজকন্যা হিড়িম্বা ৰাণীক বিয়া কৰাইছিল। এই হিড়িম্বা ৰাণীৰেই বংশধৰ বুলি বড়োসকলে নিজকে পৰিচয় দিয়ে।

সি যি কি নহওক, বড়োসকলে অন্যান্য প্ৰাচীন ভাৰতীয় অনাৰ্য জাতিৰ দৰেই শিৱভক্ত। এওঁলোকে শিৱক 'আনন গোসাঁই' বুলি কয়। আদি ভাৰতীয় অনাৰ্য সংস্কৃতিৰ লগত অগ্নি উপাসক আৰ্যসকলৰ সংস্কৃতি মিলিয়েই বিশাল ভাৰতীয় সংস্কৃতিৰ ভেটি ৰচিত হৈছে। অসমৰ বড়োসকলৰ সংস্কৃতি মূলতঃ অনাৰ্য সংস্কৃতি। বিশাল গভীৰ অসমীয়া কৃষ্টিৰ লগত অসমৰ অন্যান্য অনাৰ্য গোষ্ঠীৰ সংস্কৃতিৰ লগতে বড়োসকলৰ সংস্কৃতি মিলি গৈছে। প্ৰাচীনতম এই বড়োসকলৰ সংস্কৃতি সেই বুলি নিঃচিহ্ন হৈ যোৱা নাই, আজিও নিজস্ব বৈশিষ্ট্যেৰে ই সুন্দৰভাৱে স্বকীয় ৰূপত জীয়াই আছে। ইয়াৰ নিদৰ্শন আমি তেওঁলোকৰ 'খেৰাই নৃত্য'ত দেখিবলৈ পাওঁ। এই 'খেৰাই নৃত্য' তেওঁলোকৰ উপাস্য দেৱতা শিৱৰ নিমিত্তে পতা 'খেৰাই' উৎসৱত নাচে।

অসমৰ বড়ো লোকনৃত্য অতি পুৰণি নৃত্য। বৰ্তমান বড়ো নৃত্যক (ক) আধুনিক নৃত্য আৰু (খ) ৰাগিণী নৃত্য বা আদি নৃত্য হিচাপে দুটা ভাগত পাব পাৰোঁ। আধুনিক নৃত্যত আধুনিক সাজ-সৰঞ্জামেৰে পৰিৱেশন কৰা হয়। কিন্তু ৰাগিণী নৃত্যক আওপুৰণি নিৰ্দ্দিষ্ট কেতবোৰ বাদ্য-যন্ত্ৰ আৰু সাঁজ-পোছাকেৰে পৰিৱেশন কৰা হয়। ৰাগিণী নৃত্যৰ বাবে আৱশ্যকীয় বাদ্য যন্ত্ৰবোৰ হ'ল—থাম (মাদল), চিফুং (বাঁহী) গঙ্গনা (গগনা), জথা (সঙ্গিৰা), ছেৰজা (বেহেলা), বাইগণ (বেত), জাৰখ্ৰিং (তালৰখা এবিধ বাদ্য যন্ত্ৰ), থৰখা (ঠৰকা) ইত্যাদি। এই বাদ্য-যন্ত্ৰ বিলাকৰ বাহিৰে আধুনিক বাদ্য-যন্ত্ৰ এই ৰাগিণী নৃত্যত ব্যৱহাৰ কৰা নহয়। কাৰণ ইয়াৰ অন্যথায় বড়ো লোক নৃত্যই অপভ্ৰংশ ৰূপত দেখা দিব।

সি যি কি নহওক, আমাৰ আলোচ্য বিষয় হ'ল "বড়ো লোক নৃত্য।" গতিকে ৰাগিণী নৃত্যৰ বিষয়ে আমি অধিক জনাৰ প্ৰয়োজন আছে।

বড়ো ৰাগিণী নৃত্য বুলিলে সাধাৰণতে ওপৰত উল্লেখ কৰা 'খেৰাই নৃত্য'কেই বুজোৱা হয়। এই 'খেৰাই নৃত্য' শিৱৰ উপাসনাৰ লগত জড়িত। সেয়ে ইয়াক শিৱৰ বিভিন্ন ১৮ টা নামেৰে নামকৰণ কৰা হৈছে। সেইবোৰ হ'ল—(১) আইলাং, (২) আখাফোৰ, (৩) খৈলা, (৪) খাজি, (৫) ৰাজ-ফুথুৰ (৬) ৰাজ-খাম্ৰা, (৭) আৱা-থুঙ্গুৰ, (৮) আলিবুৰা, (৯) বুৰাআলি, (১০) মৌনাশু, (১১) বুলি বুবৈ, (১২) শাৰিজামৈন, (১৩) ৰাগৰাজ (১৪) শোংৰাজা, (১৫) গাৱ-ৰাজা (১৬) বুৰা ফাট ৰাজা, (১৭) বাওঁমুঠি আৰু (১৮) চৌদ্ৰি। চিফুঙৰ সুৰে সুৰে, খামৰ ছেৱে ছেৱে দেওধনীয়ে 'খেৰাই পূজা'ত এই ১৮ বিধ নৃত্য বিভিন্ন ভঙ্গিমাত পৰিবেশন কৰে।

'খেৰাই নৃত্য' পৰিবেশন কৰোঁতে ছোৱালী নাইবা 'দেওধনীয়ে' প্ৰধান ভূমিকা লয়। এই নৃত্য পৰিবেশন কৰোঁতে দেওধনীয়ে ৰঙা-পোছাক পৰিধান কৰা দেখা যায়। কিন্তু যেতিয়া ন-পুৰণিৰ সংমিশ্ৰণ ঘটিল, দেওধনীয়ে ৰঙা আৰু হালধীয়া দখনা (মেখেলা) পৰিধান কৰিবলৈ ললে। 'খেৰাই পূজা'ত এতিয়াও দেওধনীয়ে ৰঙা দখনাই পৰিধান কৰে।

'খেৰাই নৃত্য' বড়োসকলৰ এবিধ প্ৰখ্যাত (Promi ent) নৃত্য। 'থৰ-ৰি-ৰি-ৰয় ৰয়' চিফুঙৰ (বাঁহীৰ) মিঠামাতৰ সুৰে সুৰে; ফ্ৰিউ গুম, দাংদা গুম্ ফ্ৰিউ মনি' খামৰ (মাদলৰ) প্ৰতিধ্বনিৰে; "থিং-থ-থ' জথাৰ (মঞ্জিৰাৰ) ৰাজি উঠা এক আলোকময় শব্দ; 'গো-গো-গোগ্‌লিং-গো' ছেৰজাৰ (বেহেলাৰ) মিঠা সুৰৰ তালে তালে বড়ো চিখ্‌লা (গাভৰু) সকলে 'মৌৰ্‌লা,' 'মোখথমা,' ছৌৰাং 'ৰৰি-ৰৌথিয়া' আদি আগৰ ফুলবছা দখনা পিন্ধি হাত বাউলি দি দি আদি নৃত্য নাচি ৰাইজক একগোট হোৱাৰ বাবে আহ্বান কৰাৰ মুদ্ৰা প্ৰতিফলিত কৰে। ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰিৰ মতে—'মৌদাম সাফ্ৰেৰেণা আঠেংখৗ গাগ্ৰাংগ্ৰাগ্ৰাং মোছানায় খৗনৗ মৌছ গ্ৰাং হৗনৗ বুঙা।' অৰ্থাৎ, শৰ বটো ভাঁজ দি দি ভৰিৰ গোৰোহা তুলি ভংগিমাত লয়-লাসে নাচাটোকে আদি নৃত্য (মৌছাগ্ৰাং) বুলি কোৱা হয়।

এই 'খেৰাই নৃত্য'ৰ কেতিয়া ক'ত জন্ম হ'ল, সেই বিষয়ে থিৰাংকৈ কোনেও ক'ব নোৱাৰে। অনুমান কৰা হয় বাণ ৰজাৰ দিনত। বাণ ৰজা আছিল প্ৰাচীন কিৰাটবংশীয় শিৱভক্ত প্ৰথম ৰজা। আনহাতে বড়োসকলৰ 'খেৰাই নৃত্য'ৰ জন্ম, 'খেৰাই থান'ত বা 'শিৱনাথত আৰু শিৱৰ ১৮ টা নৃত্যভঙ্গীক লৈয়েহে 'খেৰাই নৃত্য' কৰা হয়। সেয়ে তেওঁৰ দিনতেই ইয়াৰ প্ৰচলন হয় বুলি অনুমান কৰা হয়।

বড়োসকলৰ আন এবিধ জনপ্ৰিয় নৃত্য হ'ল—'বাগুৰুম্‌বা' নৃত্য। এই নৃত্য অসমীয়াৰ জাতীয় কৃষ্টি 'বিহু'ৰ দৰেই প্ৰাণময় আৰু হাঁহি-উলাহৰ। তেওঁলোকৰ কল্পনাত খামৰ (মাদলৰ) 'ফ্ৰিউ মৌন মৌন, ফ্ৰিউ মৌন' শব্দত; চিফুঙৰ 'থি ৰয় ৰয় ৰয়' সুললিত সুৰত; জথাৰ (মঞ্জিৰাৰ) 'থিং-থ-থিং-থ ৰাজি উঠা লয়ত স্বৰ্গ পুৰীৰ

অপেশ্বৰীয়ে ফুলৰ ৰাগিচাত নাচি-ৰাগি ফুল ছিঙাৰ দৰেই ই সৌন্দৰ্যময় আৰু ৰহাগ মাহৰ ৰৰদৈ চিলাই ( ৰৰদৈ চিখ্‌লা ) সাজি-কাছি হাঁহিমুখে হালি-জালি অসমৰ বুকুত নাচি বড়ো চিখ্‌লা ( গাভৰু ) সকলে খাম ( মাদল ), চিফুং ( বাঁহী ) জথাব ( মঞ্জিৰাৰ ) প্ৰতিধ্বনিৰ তালে তালে সেউজ-হালধীয়া বুলিয়া দখনাত 'দাওবায়' ( ময়ুৰ ) 'মিঞ্জিৰি ( হাৰ ), 'গলফাতা' (গলপতা), 'নাগেশ্বৰ' 'ছেলা' ( এৰিধ পৰুৱা ) আঠেং (ঠেং), 'গাছা, ( গছা ), মুঠি, আদি আগৰ ফুল) বছা ফুলাম দখনা পিন্ধি আৰু 'দংফাং-দালাই' (গছৰ ডাল-পাত) আগৰ (ফুল) বাছি 'গেগেৰেগাং' (ফালি) গলত লৈ পাখিৰ দৰে মেলি ৰংবিৰঙৰ পখিলাৰ নিচিনাকৈ মূৰ দোৱাই দোৱাই হাঁহি মুখে ( ৰা + ইগ' + ৰা + ৰা—To carry + to come out + heaven or high mountain and five,' অৰ্থাৎ পাঁচজন দেৱতাক পৰ্বতৰ পৰা নমাই আদৰি অনা নৃত্য বা সেৱা ) ৰা-গু-ৰু-ম-ৰা নৃত্য নচা হয়। বড়োসকলৰ কলা কৃষ্টিত এই নৃত্যৰ এটা স্বকীয় বৈশিষ্ট্য সুন্দৰ ভাবে ফুটি উঠা দেখা যায়। উক্ত নৃত্যত হা (মাটি), দৈ [পানী], অৰ [জুই], বাৰ [বৰুণ], অথ্ৰাং [চন্দ্ৰ] ই হ'ল সেই পাঁচজন দেৱতা। এওঁলোকৰ নিমিত্তেই এই নৃত্যৰ আয়োজন কৰা হয়।

কলা কৃষ্টিত চহকী এই জাতিৰ বহুতো এনে স্বকীয় বৈশিষ্ট্যপূৰ্ণ নৃত্য আছে। বিশেষকৈ কৃষি-জীৱী এই বড়ো সম্প্ৰদায়ৰ নৃত্য-গীতত কৃষিৰ প্ৰাধান্যই অধিক। এনেকুৱা লোক-নৃত্য গীতেৰে ই বড়ো কলা কৃষ্টি সমৃদ্ধিশালী।

এই বিশাল বড়ো নৃত্য-সংস্কৃতি অতি পুৰণি কালৰ পৰাই ভাৰতৰ বিভিন্ন ৰাজ্যলৈ বিস্তাৰিত হোৱা বুলি বৰ্তমান বড়ো কৃষ্টি-সংস্কৃতিৰ সাধক সকলে ক'ব খোজে। তেওঁলোকৰ মতে উষা, ৰুক্মিণী, অমৃত প্ৰভা, চিত্ৰলেখা [ চিখিৰি-চিখ্‌লা] আদি মূলতঃ কিৰাট বা বড়ো সম্প্ৰদায়ৰহে জীয়ৰী। সেয়ে বড়ো নৃত্য-কলাৰ প্ৰভাৱ সুদূৰ উত্তৰ ভাৰত তথা কাশ্মীৰলৈকেও বিস্তাৰিত হৈ পৰিছে। সেই সময়ৰ যিহেতু বড়ো বা কিৰাট বংশীয় ছোৱালীসকলেই নৃত্য পৰিৱেশনত পাকৈত আছিল। সময়ৰ সোঁতত বিশাল আৰ্য সংস্কৃতিৰ বুকুত নিজকে বজ্‌তা খুৱালেও, নিজস্ব বৈশিষ্ট্য বৰ্তমানেও অক্ষুণ্ণ ৰাখিছে। বৰ্তমান সময়তো বড়ো কৃষ্টি-সংস্কৃতিৰ একান্ত সেৱক ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰিয়ে পৃথিৱীৰ বিভিন্ন দেশত এই নৃত্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰাৰ উপৰিও সুনাম বিয়পাইছে।

এতিয়া কথা হ'ল, বিশাল গভীৰ অসমীয়া কলা কৃষ্টিত বড়ো নৃত্য-সংস্কৃতিৰ মূল্যায়ন কিদৰে হোৱা উচিত? নাইবা অসমীয়া কলা কৃষ্টিৰ দায়িত্বই বা কি? কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱে কৈ গৈছে—"অসমীয়া কৃষ্টি হেজাৰ-বিজাৰ লাখ-বিলাখ বছৰৰ সাধনাৰে পৰিপুষ্ট। এই অসমীয়া কৃষ্টি সংস্কৃতি ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল-গভীৰ। যেনেকৈ কোনো শক্তিয়ে বিশাল-গভীৰ ব্ৰহ্মপুত্ৰক ভেটা দি হেঙাৰ দিব নোৱাৰে, বিশাল গভীৰ অসমীয়া সংস্কৃতিৰ কোৱাল সোঁতকো কোনো চক্ৰান্তকাৰীৰ চক্ৰান্তই আৰু ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰই বোধিব নোৱাৰে।" আৰু এঠাইত তেখেতে কৈছে—"ট্ৰাইবেল জাতিৰ কৃষ্টি-সংস্কৃতিৰ প্ৰভাৱ বৈশিষ্ট্যপূৰ্ণভাৱে অক্ষুণ্ণ ৰাখিলেই অসমৰ প্ৰকৃত

অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতি ৰক্ষা কৰা হ'ব।'

তেখেতৰ এই মন্তব্যৰ যথাৰ্থতা আছে। অসমীয়া কৃষ্টি-সংস্কৃতি যদি বিশাল গভীৰ ব্ৰহ্মপুত্ৰ নদীৰ দৰেই হয়; তেন্তে তাত আহি মিলিত হোৱা উপ-নৈ স্বৰূপা বড়ো-কছাৰী ৰাভা, লালুং, সোণোৱাল, ঠেঙাল, মৰাণ, চুতিয়া, দেউৰী আদি মঙ্গোলীয় কলা—সংস্কৃতিক নিজৰ বুকুত অকাতৰে মিলিব দিব লাগিব। এই সকলো সংস্কৃতিক নিজৰ বুলি আঁকোৱালি লৈ চিন্তা-চৰ্চা কৰিব লাগিব। তেতিয়াহে অসমীয়া কলা-সংস্কৃতি বাৰিষাৰ ব্ৰহ্মপুত্ৰৰ দৰেই সৌষ্ঠৱপূৰ্ণ হ'ব। সেই কাৰণেই ড° পি, চি, ভট্টাচাৰ্য্যই বড়ো-সকলৰ সংস্কৃতিৰ বিষয়ে কৈছে—"The Bodo culture is a Mongoloid culture and it is a vast subject' আৰু এঠাইত কৈছে—'The Bodo culture is a part and parcel of the Mongoloid Bodo culture. In Assam has influenced to some extent Indo (Indo-Aryan) Assamese culture and the vice-versa.'

অসমীয়া আধুনিক কলা-কৃষ্টিৰ বৈশিষ্ট্য অটুট ৰাখিবলৈ এই সকলোবোৰ মূল লোক-নৃত্য সংস্কৃতিৰ উন্নতি সাধিব লাগিব। ডঃ ৰাজেন্দ্ৰ প্ৰসাদে সেয়ে কৈছিল—"আধুনিক জীৱন কো সুন্দৰ সমৃদ্ধ ঔৰ সুসম্পন্ন বনানে লোক নৃত্য দো সদাসহায়ক সিদ্ধ হোংগে।' তেতিয়াহে অসমীয়াৰ জাতীয় জীৱন সৰ্বাংগ সুন্দৰ হ'ব। আন হাতে জাতীয় একতা সুৰক্ষিত থাকিব। ৰাহুল সং-স্কৃত্যায়নৰ ভাষাত—'লোক নৃত্য জাতীয় একতা কো সুৰক্ষিত ৰখনে কা একমাত্ৰ শক্তিশালী মাধ্যম হ্যায়।'

গতিকে অসমীয়া কলা কৃষ্টি সেৱী প্ৰতিজন অসমীয়াৰে উক্ত জনজাতীয় নৃত্য সংস্কৃতিৰ প্ৰতি দায়িত্ব আছে। যদি ইয়াকে নুবুজি জন-জাতীয় নৃত্য সংস্কৃতিক উলাই কৰে, তেন্তে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ লগতে জাতীয় একতাত ঘূণে ধৰিব। বিশাল গভীৰ ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া কৃষ্টি সংস্কৃতিও মৰাসুঁতিত পৰিণত হ'ব।

---

প্ৰবন্ধটো যুগুতাওঁতে সহায় লোৱা পাঠ্যসমূহ:—

১। ভাৰতীয় লোক নৃত্য [ হাথৰ প্ৰকাশন—ইউ,পি ]

২। পৱিত্ৰ অসম। ৩। বিষ্ণুৰাভাৰ ৰচনাৱলী।

৪। A Descriptive Analysis of the Boro Language—
( P. C. Bhattacharjee. )

৫। বিঃ দ্ৰঃ—এই প্ৰবন্ধটো যুগুতাওঁতে উত্তৰ বেতনা হাই স্কুলৰ [ গোবেশ্বৰ ] বড়ো-শাখাৰ সহকাৰী শিক্ষক শ্ৰীযুত বৰুৱা কান্ত ব্ৰহ্মাই যথেষ্ট সহায় কৰিছে। সেয়ে লিখক তেওঁৰ ওচৰত দায়বদ্ধ।

প্ৰবন্ধ

# ॥ হীৰেণ ভট্টাচাৰ্যৰ কবিতাত প্ৰেম-প্ৰতিবাদ, দুখ-বেদনা আৰু স্বদেশ-প্ৰীতি ॥

শ্ৰীবীৰেণ চন্দ্ৰ ৰাভা
উঃ মাঃ ২য় বাৰ্ষিক

অসমীয়া কাব্যজগতৰ অন্যতম বিশিষ্ট কবি হিচাপে খ্যাত, যাৰ ভাব, ভাষা উক্তি আৰু প্ৰকাশ ভংগিমাৰ নিজস্ব বৈশিষ্ট্যৰে সকলো শ্ৰেণী পাঠকৰে মন জয় কৰাৰ উপৰিও অসমীয়া কাব্য সাহিত্যৰ বাহ্যিক জগত খনতো আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে ; সেইজন মান্যবৰ কবি শ্ৰদ্ধাস্পদ শ্ৰীহীৰেণ ভট্টাচাৰ্য দেৱৰ কবিতাৰ মাজেৰে মোৰ আলোচ্য প্ৰবন্ধৰ সম্যক ৰূপ সীমিত জ্ঞানেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। ই বিশদ বিচাৰ, বিশ্লেষণ বা সমালোচনা নহয়।

হীৰেণ ভট্টাচাৰ্যৰ—"কবিতা মূলতঃ স্বাধীন স্মৃতি ভাৱ সুগন্ধি পখিলা ! বন্দিশালৰ দুৱাৰ ভাঙি, হাতত প্ৰজ্ঞাৰ পতুম লৈ নিজৰ ছাঁ গৰকি পাৰ হৈ যায় আৰু সক্ৰিয় সময় সমৃদ্ধ শব্দেৰে নিৰ্জনতাৰ পৰা, কোলাহলৰ পৰা তুলি ধৰে কবিতাৰ উজ্জ্বল গান। কাব্য জগতত স্বকীয়া বৈশিষ্ট্য ফুটাই তুলিব পৰা কবি ভট্টাচাৰ্যই এক অসম্ভৱ অনুবাদ বুলি এটা অজুহাত পালে প্ৰতিভাৰ পথ মুক্ত কৰি নিৰ্জনতা নিৰ্ভৰ ছাঁয়াৰে সুখ্যাতি আৰ্জিব পাৰে আৰু শোকে, দুখে, প্ৰেমে প্ৰতিবাদে কবিতাৰ মাজত নিজক বিলাই দি স্মৃতিক আহ্বান কৰে -"

সন্নিহিত হোৱা হে স্মৃতি, খুলি দিয়া তোমাৰ
.. ... ... ... ... ...
... ... ... ... ... ... ... .. ...

প্ৰেম, নিষ্ঠা দ্ৰোহ ; মৃত নক্ষত্ৰৰ য'ত ম্লান মুখ !

ৰোমান্টিক ভাৱধাৰাৰে অনুপ্ৰাণিত হ'লেও কবি আত্মজঃ সত্তাৰে তৃষ্ণাসক্ত আনপিনে মধুৰ মূৰ্চ্ছনাত নমনীয়তা ফুটাই তোলাও হৈছে বুলি ক'ব পাৰি। প্ৰেমৰ কবিতাসমূহ ৰোমান্টিক ভাৱধাৰাৰে অনুপ্ৰাণিত হ'লেও তাত ইন্দ্ৰিয়ঘন আৰু জীৱ ঘনিষ্ঠ প্ৰীতিপূৰ্ণ সজীৱতা বিৰাজমান। 'জোনাকি মন', 'প্ৰেমৰ পিঞ্জৰ'. 'ফুল নহয় মূল, আদি কবিতাত কবিৰ মনৰ প্ৰেমৰ সজীৱ স্ফুৰণ হোৱা দেখা যায়, প্ৰেমৰ দাবী যে বহুত— ভাল পোৱাই বুকু উজৰি দিলেও কবিয়ে দুখৰ লগত খেলে—জিককেই বা হাৰকেই তথাপি আনন্দ"।

প্ৰেম আৰু যৌৱনৰ কবি বুলি খ্যাত কবি ভট্টাচাৰ্যই কৱিতাত প্ৰেমৰ উচ্ছ্বাসত যৌৱনৰ তেজীঘোঁৰা মেলি দিক্ বিদিক্ আনন্দৰ বন্য উদ্যানত বিচৰণ কৰি প্ৰেমৰ সুবাস সিঁচি ফুৰোঁতে কেতিয়াবা হৰ্ষ-বিষাদ, বেদনা আৰু ব্যৰ্থতাৰ প্ৰচ্ছন্ন তন্দ্ৰাহীন অনুভূতিত ডুব গৈ মহাচ্ছন্ন হৈ পৰে

মোৰ বুকুত কি জ্বলে
... .... . ..
... ... ... ... ... ...
তোমাৰ প্ৰেমৰ গুণ গুণ শব্দ
এনেকৈ ৰু-ৰুৱাই জ্বলে (সুঃ পঃ পৃ৫৪)

কবিৰ জন্ম-লগ্নতে প্ৰেমৰ আঁচোৰ পৰা বাবে কেতিয়াবা প্ৰতিবাদ, বিদ্ৰোহ, বিষাদ, বেদনা আৰু ঘৃণাত হাঁহাকাৰ কৰি উঠে। কোনো কালে কাৰো আদৰ্শত বা অনুকৰণত আবেগিক ভাবে অনুপ্ৰাণিত নোহোৱা কবিৰ ভাষা আৰু প্ৰকাশ ভংগিমাও দুৰ্ব্বোধ্য নহয়। জীৱন বিমুখ ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ মূৰ্ত্ত প্ৰতিচ্ছবি, উচ্ছ্বাসময় ভাৱত বাঙ্ময় প্ৰকাশৰ প্ৰচেষ্টা আৰু ইন্দ্ৰিয়গ্ৰাহ্য কবিতাৰ আংগিক সৌন্দৰ্য সহজ, সৰল, প্ৰত্যয়-দ্বীপ্ত অনুভূতি সজাগতা মন কৰিবলগীয়া।

বৰ যতনেৰে এটা ফুলৰ গুটি তাইৰ চকুত থ'লোঁ।
গছজোপা গজা নাই, বুকুখন দাঙি শিপাডাল
পালোঁ॥ (সুঃ পঃ পৃঃ ৭৫)

কেতিয়াবা আকৌ গভীৰ অনুভূতিশীল অৰ্ন্ত-দ্বন্দ্বত ভোগা কবিয়ে নিজেই নজনাকৈ ভাৱৰ তন্ময়তাৰে

মই কবি
বহি আছিলোঁ,
--
. -- ......

মোৰ কলিজাত
লাগিল তেজৰ দাগ। (সুঃ পঃ পৃ ২৭)

ভট্টাচাৰ্যৰ কবিতাত দুখৰ অতীতে শোকৰ ক'লা পোছাক পিন্ধি সুহুৰিয়ায়, দুখ বিষাদেৰে অন্তৰ জৰ্জ্জৰিত হ'লেও দুখৰ অনুভূতিৰ সতে জীৱনৰ সম্পৰ্ক গঢ়ি তোলাত কৃপণালি কৰা নাই। "দুখ মোৰ (বৰং) কোলাৰ কেচুৱা,,' বুলি সহনশীল-তাৰহে পৰিচয় দিছে। আত্মজ অনুভূতিৰে "সুখে দুখে জীৱন" বুলি কৈ অন্তৰৰ জ্বালা নিয়ন্ত্ৰণ কৰিছে এনেদৰে

ভঙা কলিজাত কোনে বিনায়ঃ
কবিতা মোৰ দুখৰ ঋতুৰ এলাহ খৰিকাজ্ঞাঁই।
(সুঃ পঃ পৃ.৮৩)

দুখৰ দৈন্যত জৰ্জ্জৰিত কবিয়ে ইচ্ছাৰ কোমল আঙুলিৰে হৃদয় জুৰাব বিচৰা নাই। বৰং যৌৱনৰ ৰ'দ কাঁচশিত তেজীঘোঁৰা চেঁকুৱাই ভৰ বয়সত মৰ্মান্তিক ভাৱে উপলব্ধি কৰিছে হতাশাৰ ছবিখন

ৰক্তস্ৰাৱী হৃদয়ৰ
ছিঙা তাঁৰবোৰ জোৰাবলৈ
তুমি যদি
আছিলাহেঁতেন! (সুঃ পঃ পৃ ৬২)

সময়ৰ পলে পলে শোকৰ সমদল দেখি-"দুখৰ ঋতুৰ এপাহ খৰিকাজ্ঞাঁই' বুলি আত্ম-প্ৰত্যয় লোৱা কবিৰ সে'ৱৰণি দেইপুৰি ছাৰখাৰ হয়। হৃদয়ৰ আঁহে আঁহে কুচি মুচি থকা দুখৰ অনুভূতিবোৰ নিজৰি পৰে

কামিজৰ সিয়নিত দুখ, দুখৰ স্তুতি,
মোৰ গাত হাত থলেই পাবা হীৰেণ নামৰ কবি
(সুঃ পঃ পৃ৯০)

আনহাতে সুখ, দুখ, বেদনা-বিষাদক আবেগিক সহনশীলতাৰে আঁকোৱালি লৈ প্ৰেমে প্ৰতিবাদে

শব্দৰ ফিৰিঙটি সিঁচি অতি ভৌতিক দুৰ্বোধ্যতা আৰু ভূতগ্ৰস্ত ভৱিষ্যতৰ আশাক প্ৰশ্ৰয় দি, অতীতৰ সুমধুৰ ৰঙীন স্মৃতি চাৰণ কবি শিশু ধেমালি খেলিছে যদিও বাস্তৱত কাৰো-প্ৰতি সহাৰি জগোৱা নাই।

—কাৰ ইমান গৰজ যে মোক ৰ'দ আনি দিব

বিতৰ্কিত কবি ভট্টাচাৰ্যৰ কবিতাত স্বদেশ প্ৰীতি আৰু প্ৰতিবাদৰ ধ্বনি সময় সাপেক্ষ। যেতিয়া ৰাজনৈতিক ধূৰ্তালি, অধৰ্মৰ বিজয় উল্লাস, সামগ্ৰিক জীৱনৰ ব্যৰ্থতা, হালোৱা বনুৱা বণুৱাৰ জীয়াই থকাৰ সংগ্ৰাম, মানৱ জীৱনৰ কাঠামো সৰ্বনাশী ভয়াবহতা আদি নানান কাৰণত মূৰ্ত্ত হৈ উঠে তেতিয়াও কবিৰ বৈপ্লৱিক চেতনাই অসহিষ্ণু হৈ উদাত্ত কণ্ঠে গাই যায়

দেশ বুলি ক'লে আদেশ নেলাগে,
মোৰ তুম্‌কলি তেজত গৈ বগাই উঠে
এহেজাৰ এটা বণুৱা ঘোঁৰা! (সুঃ পঃ পৃ ১০১)

যি দেশৰ মাটি পানী বায়ু আকাশ চৰাচৰ আদিৰ সতে কবিৰ নিগূঢ় সম্বন্ধ, সেই দেশৰ কাৰণেই কবিয়ে মৰণ পণ কৰিছে, অনৈক্যৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাবে ত্যাগ স্বীকাৰ কৰিও দেশৰ বুকুত সপোনৰ ফুল ৰচনা কৰিবলৈ দৃঢ় সংকল্প। প্ৰগতিবাদী মনোভাৱ আৰু নৱন্যাসৰ ভাৱোচ্ছ্বাসৰ অপূৰ্ব সমন্বয়

মোক লৈ যায় গভীৰৰ পৰা গভীৰতলৈ,
আদৰ্শৰ কঠিন পৰ্ব্বতমূললৈ
(সুঃ পঃ পৃঃ ১৫)

কবি ভট্টাচাৰ্যৰ বাস্তৱ অন্তৰ্দ্বন্দ্বক আঁকোৱালি লোৱাৰ সাহসো দুৰ্বাৰ। ইতিহাসেও এই কথা সমৰ্থন কৰে, সেয়ে কবিতাৰ ভাষাৰে প্ৰকাশ কৰিছে এনেদৰে—

কলম মোৰ কমাৰৰ হাতৰ হাতুৰী,
ভাঙি পিটি গঢ়ি লওঁ শব্দ,
খেতিয়কৰ ফাল যেন চোকা;
সীবলুত সোণৰ গীতা, (সুঃ পঃ পৃঃ ১২৩)

ভট্টাচাৰ্যৰ কবিতাত শব্দৰ প্ৰয়োগ বিন্যাসে বৈচিত্ৰ্যৰূপৰ সমাৱেশ ঘটাইছে। ই কেৱল এটা বিশেষ ৰূপৰ পৰিচায়ক নহয়। ই যেন ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ আদি পঞ্চ-তন্মাত্ৰ সদৃশ।

— 'মই শব্দবোৰ জিভাত দি চাওঁ,
কাৰ কি সোৱাদ,
হাতৰ তলুৱাত লৈ চাওঁ কিমান তপত, ··
(সুঃ পঃ পৃ ১২২)

মুঠতে ভট্টাচাৰ্যৰ কবিতাত ভিন্ন ৰসৰ সোৱাদ নিহিত হৈ আছে। সমালোচকৰ ভাষাত ক'বলৈ গ'লে—"এফালে যেনেকৈ আত্মমুখী প্ৰেমত বিনম্ৰ আত্ম নিবেদনৰ পূৰ্ণতা প্ৰাপ্তিত আশাভঙ্গৰ হৃদয় বিদাৰক কাব্যিক ৰাতবি আৰু আনফালে বিনন্দীয়া স্বদেশ মানৱৰ প্ৰেমজনিত মুক্তিৰ উত্তাল ৰাণী।"

শেষত কবি ভট্টাচাৰ্যৰ এফাঁকি কবিতাৰে মোৰ আলোচ্য বিষয়ৰ সামৰণি মাৰিছোঁ।—

মই কবি, সীমিত মোৰ সামৰ্থ্য।
আলি-দোমোজাৰ ভূতগ্ৰস্ত প্ৰহৰীৰ
কৃতঘ্ন পিতলৰ সুহুৰিয়ে
বিপৰ্যস্ত কৰে মোৰ কাব্যৰ অৰ্থ।
(সুঃ পঃ পৃঃ ৬৯)

● ●

# ঃ হেমচন্দ্ৰ বৰুৱা আৰু সংস্কাৰবাদ ঃ

শ্ৰীপৰমানন্দ মজুমদাৰ
প্ৰাক্তন প্ৰবক্তা, ভূগোল বিভাগ

[ ১ ]

উনৈশ শতিকাত অসমীয়া ভাষা সাহিত্যৰ সংকটকালীন সময়ছোৱাত আমাৰ ভাষা সাহিত্যৰ গুৰি বঠা ধৰিবলৈ ওলাই অহা তিনিজন বিশিষ্ট অসমীয়া আছিল ক্ৰমে আনন্দৰাম ঢেকিয়াল ফুকন ( ১৮২৯–'৫৯), হেমচন্দ্ৰ বৰুৱা ( ১৮৩৫–'৯৬) আৰু গুণাভিৰাম বৰুৱা ( ১৮৩৭–'৯৪ )। ১৮৩৬ খৃঃত 'বিভাজন আৰু শাসন নীতিৰ পৃষ্ঠপোষক সাম্ৰাজ্যবাদী বৃটিছে অসমৰ স্কুল আৰু আদালতত বঙালী ভাষা প্ৰৱৰ্ত্তন কৰিছিল। ১৮৩৬–'৭২ সময়ছোৱাত অসমত বঙালী ভাষাৰে ধ্বজা উৰিছিল। এই সময়ছোৱাত অসমীয়া ভাষাক পুনঃ প্ৰতিষ্ঠা কৰিবলৈ উল্লেখিত তিনিওজন অসমীয়াই সক্ৰিয় ভূমিকা পালন কৰিছিল। আমাৰ সাহিত্যৰ বুৰঞ্জীত এওঁলোকৰ অৱদান প্ৰসঙ্গ শ্ৰদ্ধাৰে আলোচিত হৈছে। কিন্তু এওঁলোকৰ কিছু সামাজিক ভূমিকাও আছিল, সেই সম্পৰ্কে আমাৰ সাহিত্যৰ বুৰঞ্জীত বিশদ আলোচনা কিন্তু পাবলৈ নাই। আমাৰ সমাজৰ প্ৰগতিৰ ইতিহাসত কিন্তু এওঁলোকৰ সামাজিক দৃষ্টিভংগীও বিশেষ গুৰুত্ব পাবৰ যোগ্য বুলি বিবেচিত হ'ব। বস্তুবাদী ঐতিহাসিক তথা সমাজবিজ্ঞানী সকলৰ বাবে ই নিঃসন্দেহে এক অধ্যয়নৰ বিষয়। আমাৰ এই নিবন্ধত হেমচন্দ্ৰ বৰুৱাৰ সামাজিক দৃষ্টিভংগীৰ লেখ ল'বলৈ যত্ন কৰিলোঁ।

উনৈশ শতিকাৰ তৎকালীন অসমীয়া সমাজৰ পটভূমিত হেমচন্দ্ৰ বৰুৱাৰ সামাজিক অৱস্থান আছিল ঐতিহাসিক। হেমচন্দ্ৰ আছিল ব্ৰাহ্মণৰ সন্তান। প্ৰথাশাসিত তেতিয়াৰ সমাজত বিধৰ্মীৰ কথা বাদেই ভিন্ন ধৰ্ম্মৰ মানুহৰ হাতেৰে খালেও বৰ্ণ হিন্দু সকলৰ ধৈৰ্যচ্যুতি ঘটিছিল। হেমচন্দ্ৰ এই ৰক্ষণশীল সমাজৰ নীতি নিয়মৰ তীব্ৰ বিৰোধী আছিল। সংস্কাৰকামী প্ৰথাবিৰোধী দৃষ্টিকোণে তেওঁৰ চিন্তা চেতনাক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। ব্ৰাহ্মণৰ সন্তান হৈও তেওঁ প্ৰকাশ্যে শূদ্ৰৰ হাতে খাইছিল। তেওঁৰ ঘৰত ৰখা ৰান্ধনিজনো আছিল শূদ্ৰ। প্ৰাচীন পন্থী সকলক তেওঁ ব্যঙ্গ বিদ্ৰূপেৰে তিৰস্কাৰ কৰিছিল। এইবাবেই হেমচন্দ্ৰক বহুতেই আচাৰ আচাৰভ্ৰষ্ট অব্ৰাহ্মণ বুলিছিল। আত্মীয়স্বজনেও তেওঁৰ তথাকথিত আচাৰ ভ্ৰষ্টতাৰ কাৰণে তেওঁৰ লগত সংস্ৰৱ নাৰাখিছিল। হেমচন্দ্ৰ পিচে এই ক্ষেত্ৰত অতি স্পষ্টবাদী আছিল; কোনোবাই তেওঁৰ ধৰ্মমতৰ কথা সুধিলে তেওঁ তাৰ উত্তৰত

কৈছিল—'মই agnostic হিন্দুৰ সংখ্যা দৰ্শনতেই ঈশ্বৰ মনা নাই।'[২] হিন্দু সনাতন পন্থীৰ মানত হেমচন্দ্ৰ আছিল জাতিচ্যুত। হেমচন্দ্ৰক আনকি মৃত্যুৰ পিচতো এই সকলে ৰেহাই দিব খোজা নাছিল। তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ শৱদেহটি স্পৰ্শ কৰিবলৈ প্ৰথম অৱস্থাত কোনো ওলাই অহা নাছিল। শৱদেহটি নিবলৈ নিকপকপীয়া অসমীয়া সমাজৰ কোনো আগবাঢ়ি নহাত পান-বজাৰৰ পৰা বঙালী সকলক ওলাই অহা দেখিহে জনচেৰেক অসমীয়া ডেকাৰ গালে হুচ' আহিছিল। অসমীয়া হিন্দু সমাজে জাতিচ্যুত হেমচন্দ্ৰৰ মৃত-দেহ স্পৰ্শ নকৰাৰ সংবাদ পাই হেমচন্দ্ৰৰ শুভা-কাংখী এই সকল বঙালীয়ে শৱ বহন কৰিবলৈ সাজি-কাচি আছিল।[৩] শেষত যেনিবা জগত চন্দ্ৰ গোস্বামী, মহীধৰ কটকী আদি ব্ৰাহ্মণসকলে মানিক চন্দ্ৰ বৰুৱাৰ উৎসাহত শটো কান্ধত তুলি লৈছিল।

হেমচন্দ্ৰই তেওঁৰ মৃত্যুৰ পিচত মৃতদেহটো ৰীতিমতে দাহকৰাটোও বিচৰা নাছিল। এই সম্পৰ্কে তেওঁ লিখি গৈছিল যে জীৱশূন্য মৃতদেহটি যত্ন কৰি সংকাৰ কৰাৰ কোনো প্ৰয়োজন নাই। মৃতদেহ মাটিত পোতাও উচিত নহয়. ওচৰৰ মানুহৰ স্বাস্থ্য হানি কৰিব পাৰে। গতিকে মানুহৰ বাসস্থানৰ পৰা নিলগত তাক পেলাই দিব লাগে।[৪]

[২]

নাৰীসমাজৰ সামাজিক অৱস্থান সম্পৰ্কেও হেমচন্দ্ৰ বিশেষ সচেতন আছিল। নাৰীসকলো যে পুৰুষৰ সমাধিকাৰ প্ৰাপ্য তাক তেওঁ কেৱল যুক্তিৰে প্ৰকাশ কৰাই নহয়, তেওঁৰ ব্যক্তিগত জীৱনতো তাৰ উদাহৰণ দেখা গৈছিল। হেমচন্দ্ৰৰ অকালতে পত্নীৰ বিয়োগ ঘটিছিল। আত্মীয় স্বজনে তেওঁক দ্বিতীয়বাৰ বিবাহ কৰিবলৈ পৰামৰ্শ দিছিল, কিন্তু তাক তেওঁ হেলাৰঙে নেওচিছিল। তেওঁৰ যুক্তি আছিল: আজিকালি আমাৰ সমাজৰ অৱস্থালৈ চাই ভাৰ্য্যা মৰা পুৰুষে পুনৰায় বিয়া কৰা গোটেই নিন্দনীয়। মই ভাবি চালোঁ মোৰ ভাৰ্য্যাৰ নহৈ মোৰ মৃত্যু হোৱা হ'লে তেওঁৰ কি অৱস্থা হ'লহেঁতেন। তেওঁ মৰিছে তথাপি মোৰ ইচ্ছা হলেই মই এটা কিয় তিনিটা বা অধিক বিয়া কৰিব পাৰোঁ; কিন্তু বিধবা হোৱাৰ পাচত পুনৰ বিয়াৰ নাম লোৱা মাত্ৰেই তেওঁৰ জাতি গ'লহেঁতেন - সমাজে বৰ্জিলেহেঁতেন আৰু তেওঁ জীৱন্ততে মৰা যেন হৈ থাকিলহেঁতেন; ই কেনে অসঙ্গত কেনে অযুগুত। এতেকে পুনৰায় বিয়া কৰা মোৰ উচিত নহয়।'[৫]

বিধবা বিবাহৰ সপক্ষে যুক্তি দেখুৱাই হেম-চন্দ্ৰই উল্লেখ কৰিছে: শাস্ত্ৰ নেলাগে যুক্তিলৈ চালেই বিধবা বিয়াত যে কোনো দোষ নাই তাক বুজিব পাৰি আৰু শাস্ত্ৰৰো যুক্তিয়েই মূল; কিয়নো সেই শাস্ত্ৰতে লিখা আছে 'যুক্তিহীন বিচাৰেন ধৰ্মহানিঃ প্ৰজায়তে'। হিন্দু শাস্ত্ৰৰ মতে ভাৰ্য্যা স্বামীৰ অৰ্দ্ধাংগ আৰু হিন্দু বিলাকে তেওঁলোকৰ বিয়াত অগ্নিৰ আগত দেৱতা আৰু পিতৃ বিলাকক সাক্ষী কৰি ভাৰ্য্যাক এই ৰূপে কয় 'তোমাৰ প্ৰাণে সৈতে মোৰ প্ৰাণক, তোমাৰ হাড়ে সৈতে হাড়ক, তোমাৰ মঙ্গহে সৈতে মোৰ মঙ্গহক, তোমাৰ ছালে সৈতে মোৰ ছালক মিলাওঁ। - ' এনে স্থলত যেতিয়া পুৰুষে ভাৰ্য্যা মৰি গ'লে, অৰ্থাৎ তেওঁৰ শৰীৰৰ

এভাগ নষ্ট হলে, তাক পুৰাই ল'ব পাৰে, তিৰোতা সেই সম্ভৱ পৰা বঞ্চিত হয় কিয় ? বিধবাৰ বিযাৰ মই পক্ষপাতী ....। যিবিলাক ছোৱালী ফুলতে বাৰী হয় বা সন্তান হোৱাৰ আগেয়ে স্বামীক হেৰুৱায় সেইবিলাকৰ বিয়াই প্ৰশস্ত; কিন্তু আন বিধবাৰ বিয়াতো বাধা থাকিব নেলাগে।'[৬] শিক্ষিত ডেকা সমাজক তেওঁ কুসংস্কাৰ আৰু দেশাচাৰৰ দাস হৈ নাথাকি-বলৈ আৰু বিধবা বিবাহৰ বাট বহলাবলৈ আহ্বান জনাইছিল।

॥ ৩ ॥

হেমচন্দ্ৰৰ সংস্কাৰকামী মানসিকতাক তেওঁৰ দুখন ব্যঙ্গ ৰচনাই উজ্জ্বলিত কৰে—এখন কানীয়াৰ কীৰ্ত্তন' আৰু আনখন 'বাহিৰে ৰং চং ভিতৰি কোৱা ভাতুৰী'। দুয়োখনতে জাত-প্ৰথা আৰু কুসংস্কাৰৰ দ্বাৰা নিয়ন্ত্ৰিত সমাজক তীব্ৰ বিদ্ৰূপ কৰা হৈছে। দুয়োখনৰে কাহিনীভাগ ব্যঙ্গ হাস্য ৰসেৰে ভৰপুৰ, কিন্তু তাৰ বক্তব্য পোনপটীয়া আৰু তীব্ৰ বিদ্ৰূপাত্মক।

'কানীয়া কীৰ্ত্তন'ত ৰক্ষণশীল ব্ৰাহ্মণ সমাজক বিদ্ৰূপ কৰা হৈছে। ব্ৰাহ্মণ কীৰ্ত্তিকান্তই বৃকোদৰৰ পিতৃশ্ৰাদ্ধত দান দক্ষিণা হিচাপে কানি আৰু পইচা লৈ স্বগতোক্তি কৰিছে 'বামুণ হোৱাৰ অনেক গুণ। বামুণে ভিতৰত যিমান অকৰ্ম কৰোক, বাহিৰত লোকক দেখুৱাই সন্ধ্যা পূজা কৰি ফোঁট লৈ থাকিলেও সকলোৱে মান পায়।'[৭]

'বাহিৰে ৰং চং ভিতৰি কোৱা ভাতুৰী'ত এজন পূজাৰীৰ ৰক্ষণশীলতা আৰু ভণ্ডামিক এনেদৰে বিদ্ৰূপ কৰা হৈছে : তেওঁ পূজাত বহিলে ঘণ্টাৰ কোবে পতি পাপবিলাক এক ঘণ্টাৰ বাটলৈ উফৰি যায়। অঘমৰ্ষণত সকলো পাপৰ হাড় গুড়ি উঠে। মাজত তিনডালিমান টিকনিৰে সৈতে তেওঁৰ মূৰটি ঠাবি লগা জ্যাতি লাউটি যেন দেখা যায়, ললাটৰ ৰক্তচন্দনৰ তিলক তাৰ ওপৰৰ গঙ্গা-মৃত্তিকাৰ ত্ৰিপুণ্ড্ৰ (ৰেঘা) এনে হে ডাঠ কৈ লিপে যে নিলগৰ পৰা দেখাত নৈৰ গৰাত খুম-মৰা ভতৰাৰ কপাল বুলি ভ্ৰম জন্মিব পাৰে।'[৮] একেই বিদ্ৰূপ কৰা হৈছে আন এঠাইত '...আমাৰ সিদ্ধ পুৰুষৰ সমান শুচি আৰু ধৰমী লোক জগতত নাই; তেওঁৰ ঘৰত বাজে আন সকলো অনাচাৰী আৰু পতিত। এই কাৰণে সূৰ্য্য-দেৱতা পাটত থাকে মানে তেওঁ কাৰো ঘৰত জল গ্ৰহণো নকৰে। আন কি ? শূদিৰে অন্ন পানীৰো ব্যৱহাৰ নাই। কিন্তু সূৰ্য্য অস্ত হলে যি কৰা যায়, তাক কোনে চায় ?'

॥ ৪ ॥

হেমচন্দ্ৰৰ চিন্তাচেতনাত সংস্কাৰবাদী দৃষ্টিভংগী গঢ় লৈ উঠিছিল বংগীয় নৱজাগৰণৰ প্ৰভাৱত। উনৈশ শতিকাত বংগদেশত যি সংস্কাৰবাদী আন্দোলনে গঢ়ি উঠিছিল অসমৰ আনন্দৰাম, হেমচন্দ্ৰ আৰু গুণাভিৰামক সিয়ে প্ৰভাবান্বিত কৰিছিল। এই আন্দোলনৰ দুজন বিশিষ্ট লোক আছিল—ৰাজা ৰামমোহন ৰায় (১৭৭২-১৮৩৩) আৰু ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ (১৮২৩-১৮৯১)। সতীদাহ প্ৰথাৰ নিবাৰণৰ নিমিত্তে ৰামমোহনে সক্ৰিয় ভূমিকা পালন কৰিছিল। ১৮১৯ চনতেই ৰাম মোহনৰ উদ্যোগত সতীদাহ প্ৰথা আইনৰ দ্বাৰা নিবাৰণৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন দিয়া হৈছিল। বৈজ্ঞানিক যুক্তিবাদত বিশ্বাসী ৰাম-

মোহনে হিন্দুসকলৰ পৌত্তলিকতাৰ বিৰোধিতা কৰিছিল। সমাজৰ অগ্ৰগতিৰ বাবে তেওঁ ধৰ্মৰ সংস্কাৰকো অন্যতম উপায় হিচাপে ধৰিছিল। ধৰ্মৰ মাধ্যমত প্ৰাচ্য আৰু প্ৰতীচ্যৰ তেওঁ মিলন আকাঙ্খী আছিল। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বিধবা বিবাহৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল। ১৮৫৫ খৃঃত তেওঁ 'বিধবা বিবাহ প্ৰচলিত হওয়া উচিত কি না' শীৰ্ষক পুথি প্ৰকাশ কৰি বিধবা বিবাহৰ সমৰ্থনত জনমত গঢ়ি তুলিবলৈ সচেষ্ট হৈছিল। এই বছৰতে তেওঁ বিধবা বিবাহ বিধিবদ্ধ কৰাৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত প্ৰায় একহাজাৰ লোকৰ চহীযুক্ত এখন আবেদন দিছিল। বহু-বিবাহ, বাল্যবিবাহ আদিৰ কুফল সম্পৰ্কেও বিদ্যাসাগৰে বলিষ্ঠ যুক্তি দৰ্শাইছিল। বিদ্যাসাগৰৰ সক্ৰিয় প্ৰচেষ্টাৰ ফলতে বৃটিছ চৰকাৰে বিধবা বিবাহ আইন প্ৰৱৰ্তন কৰিব লগা হৈছিল।

ৰামমোহন আৰু বিদ্যাসাগৰ দুয়োজনকে হেমচন্দ্ৰই উচ্চস্থান দি গৈছে। তেওঁ 'পাঠমালা' শীৰ্ষক পাঠ্যপুথিত ৰামমোহনৰ এটি পৰিচয় সন্নিবিষ্ট কৰিছিল। তাত তেওঁ উল্লেখ কৰিছে— '... তেতিয়া ৰামমোহন ৰায়ৰ মতত প্ৰবৰ্তা লোকৰ সংখ্যা অধিক নাছিল, তথাপি তেওঁ সেই অলপ মানুহৰ সহায়তাৰেই এজনা পৰমেশ্বৰৰ উপাসনাৰ বাট বহলবাৰ মনেৰে কলিকতাত 'ব্ৰাহ্ম সমাজ' স্থাপন কৰিলে...।[১০]

বিদ্যাসাগৰৰ বিষয়ে উল্লেখ কৰিছে ঃ পূজনীয় বিদ্যাসাগৰে বিধবা বিবাহ যে শাস্ত্ৰসিদ্ধ ইয়াকে প্ৰমাণ কৰিয়েই মনে মনে নেথাকিল আপোনাৰ পুতেকৰে সৈতে বিধবাৰ বিয়া দিলে। কালৰ সোঁতত তেওঁ উটি গ'ল; কিন্তু তাৰ বালিত তেওঁ যি খোজৰ সাঁচ থৈ গৈছে সি চিৰকাললৈকে থাকিব, লুপ্ত নহয়; সেই খোজৰ পাচত চলোঁতা মানুহ আমাৰ দেশত ওলাব কেতিয়া?'।

উৎস-পঞ্জী ঃ

১। সৰ্বেশ্বৰ শৰ্মা কটকী, হেমচন্দ্ৰৰ জীৱন চৰিত, পৃঃ ১২, ১৪, ৩৭
২। নন্দ তালুকদাৰ সম্পাদিত, কনকলাল বৰুৱা ৰচনাৱলী, পৃঃ ৫৯
৩। যতীন্দ্ৰ নাথ গোস্বামী, অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, পৃঃ ৪২
৪। ঐ পৃঃ ৪২
৫। ঐ পৃঃ ৩৯
৬। ঐ পৃঃ ৬৮
৭। সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী সম্পাদিত, হেমচন্দ্ৰ সাহিত্য প্ৰতিভা, পৃঃ ৯৩
৮। হেমচন্দ্ৰ বৰুৱা, বাহিৰে ৰং চং ভিতৰি কোৱা ভাতুৰী, পঞ্চতম তাণ্ডৱণ পৃঃ ১২
৯। যতীন্দ্ৰ নাথ গোস্বামীৰ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১
১০। ঐ পৃঃ ৬৮

প্ৰবন্ধ

# ॥ কিশোৰ-কিশোৰীৰ অপৰাধ প্ৰৱণতা আৰু তাৰ প্ৰতিকাৰ ॥

শ্ৰীকণু অধিকাৰী
অধ্যাপিকা, শিক্ষাবিভাগ।

সমাজৰ সকলো সুবিধা ভোগ কৰি, সমাজৰ প্ৰতি থকা দায়িত্ব পালন নকৰা ব্যক্তিজনকে সমাজ বিৰোধী বোলা হয়। সমাজৰ প্ৰচলিত অনুশাসন ভংগ কৰা বা অমান্য কৰাৰ মনোবৃত্তি সময় সাপেক্ষে ব্যক্তি বিশেষৰ মনত জাগি উঠাৰ দৰে, ল'ৰা-ছোৱালীৰ মনতো জাগি উঠা স্বাভাৱিক। কম বয়সৰ (ওঠৰ বছৰ তলৰ) ল'ৰা ছোৱালী আইন বিৰোধী বা সমাজ বিৰোধী কামত লিপ্ত হোৱাৰ বাবে ইহঁতক কিশোৰ নাইবা কিশোৰী অপৰাধী বোলা হয়।

মনোবিজ্ঞানী লোৱেলা ক'লেৰ (Luella cole) মতে-"অপৰাধ প্ৰৱণ ব্যক্তিৰ প্ৰৱণতা প্ৰৱল, বিবেক দুৰ্ব্বল আৰু সাধাৰণ নিয়মৰ প্ৰতি শ্ৰদ্ধাহীন।

**অপৰাধ প্ৰৱণতাৰ কাৰণ** - অপৰাধ প্ৰৱণতাৰ কাৰণ সম্পৰ্কে ভিন্ ভিন্ জনে ভিন্ ভিন্ মত পোষণ কৰিছে। (ক) শাৰীৰিক গঠন, (খ) বুদ্ধিৰ তাৰতম্য, গ) বংশগত বা জাতিগত আৰু (ঘ) পৰিবেশ প্ৰধান আদিৰ ওপৰত নিৰ্ভৰ কৰি অপৰাধ প্ৰৱণতাৰ জন্ম হয়।

ওপৰৰ কাৰণ কেইটা বিশ্লেষণ কৰিলে পোৱা যায় যে, শাৰীৰিক গঠনেই অপৰাধীৰ কাৰণ হ'ব নোৱাৰে। 'পূৰ্ণাঙ্গ বা বিকলাঙ্গ শাৰীৰিক গঠনেই অপৰাধ প্ৰৱণতা বঢ়ায় বা টুটায়' এই সিদ্ধান্তও বাস্তৱ ক্ষেত্ৰত ভুল বুলি প্ৰমাণিত হৈছে।

আনহাতে কম বুদ্ধিৰ ল'ৰা-ছোৱালীৰ, বেছি বুদ্ধিৰ ল'ৰা-ছোৱালীতকৈ অপৰাধ প্ৰৱণতা বেছি- এই তথ্যটোও শুদ্ধ নহয়। গতিকে শাৰীৰিক গঠন আৰু মানসিক বুদ্ধিৰ তাৰতম্যই অপৰাধ প্ৰৱণতাৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে।

কোনো কোনো ক্ষেত্ৰত দেখা যায় যে, যদি কোনো এটা বিশেষ জাতি বা পৰিয়াল অপৰাধী বুলি জনাজাত হৈ পৰে বা সেই পৰিয়ালটোৰ কেৰাজনো লোকে অসামাজিক অপৰাধ কৰেহঁক তেতিয়াও সেই পৰিয়ালটোৰ বাকীবোৰে সেই অপৰাধত লিপ্ত হোৱাৰ সম্ভাৱনা থাকে; কিন্তু এনে অপৰাধ প্ৰৱণতা বংশগত নহয়, বৰঞ্চ পৰিবেশৰ বাবেহে। এনেকুৱা অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীক পৰিবৰ্তন সূচীবদ্ধাৰা সংশোধন কৰিব পাৰি। গতিকে ওপৰৰ কাৰণ সমূহ বিশ্লেষণ কৰি দেখা

গ'ল যে স্বাভাৱিক আৰু অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীৰ ভিতৰত বিশেষ পাৰ্থক্য নাথাকে। মূঠতে আৱেগজনিত অপৰিপক্কতা, ধৈৰ্য্যৰ অভাৱ আৰু ব্যৰ্থতাইহে ল'ৰা-ছোৱালীক বেছি অপৰাধ প্ৰৱণ কৰি গঢ়ি তোলাত সহায় কৰে।

অপৰাধ প্ৰৱণতাৰ ঘাই উপাদান কেইটা হ'লে—(ক) পৰিয়াল, (খ) শিক্ষানুষ্ঠান আৰু (গ) সামাজিক পৰিবেশ।

পৰিয়ালৰ অসুস্থ পৰিবেশেই অপৰাধ প্ৰৱণতাৰ মূল কাৰণ বুলিব পাৰি। পৰিয়ালত সন্তানৰ প্ৰতি আদৰ যত্নৰ তাৰতম্য, সুস্থ পৰিবেশৰ অভাৱ, মানসিক স্বাধীনতাৰ হৰণ ভগন, অৰ্থনৈতিক নিৰাপত্তা নোহোৱা আদি বিভিন্ন পৰিবেশে ল'ৰা-ছোৱালীৰ মন ক্ষুণ্ণ, বিদ্ৰোহী আৰু প্ৰতিশোধ পৰায়ণ কৰি গঢ়াত সহায় কৰে।

আনহাতে শিক্ষানুষ্ঠানৰ অসুস্থ শিক্ষা-ব্যৱস্থা আৰু পৰিচালনাই ল'ৰা ছোৱালীক অপৰাধী প্ৰৱণ কৰি তোলে। শিক্ষানুষ্ঠানৰ আস্থাহীন কাৰ্য্যসূচী, শিক্ষকৰ নিষ্ঠুৰ আচৰণ, গতানুগতিক আকৰ্ষণীয় পৰিবেশ, নৈতিক আৰু দায়িত্বহীন পৰিস্থিতিৰ সৃষ্টি আদিয়ে ছাত্ৰ ছাত্ৰীৰ মনত অপৰাধ প্ৰৱণতাৰ ভাৱ জগাই তোলে। ফলত শিক্ষানুষ্ঠানক অপৰাধ প্ৰৱণ পৰিৱেশত পৰিণত কৰে।

ব্যক্তিৰ জীৱনত সামাজিক পৰিবেশৰ প্ৰভাৱ অনস্বীকাৰ্য। সামাজিক ৰীতি নীতি, আচাৰ-ব্যৱহাৰ, লোকাচাৰ, লোক-সংস্কৃতি আদিয়ে ব্যক্তিৰ জীৱনত প্ৰভাৱ পেলায়। ল'ৰা ছোৱালীও কোনো এক সমাজৰ ভিতৰুৱা অঙ্গ হিচাপে ইহঁতৰ ওপৰতো সামাজিক প্ৰভাৱ পৰাটো স্বাভাৱিক। অসুস্থ সামাজিক বাতাবৰণৰ উৎস সমূহ হ'ল— ক্ৰমে নৈতিক মানদণ্ডৰ অৱনতি, সামাজিক পৰিবৰ্তন, নিৰাপত্তাহীন চিন্তা-চৰ্চ্চা, সাম্প্ৰদায়িকতা আৰু অস্বাস্থ্যকৰ পৰিবেশ। এনেকুৱা ধৰণৰ প্ৰবৃত্তিসমূহে সামাজিক বাতাবৰণ অসুস্থ কৰি তোলে। ফলত ল'ৰা-ছোৱালীৰ মনত অপৰাধ প্ৰৱণতা ভাৱে ঠাই পায়।

আনহাতে কৰ্ম বিমুখী শিক্ষা, সামাজিক অন্যায়-অবিচাৰ, ৰাজনৈতিক অস্থিৰতাও অপৰাধ প্ৰৱণতাৰ একো একোটা উৎস।

**প্ৰতিকাৰ**—প্ৰতিকাৰ বৰ কষ্টদায়ক আৰু কঠিন কাম। এই বিষয়ে বিশেষজ্ঞসকলৰ ধ্যান-ধাৰণা মন কৰিবলগীয়া। তেখেতসকলৰ মতে এই ক্ষেত্ৰত শিক্ষক, মাক-বাপেক, সমাজকৰ্মী আৰু চৰকাৰ আদিৰ দায়িত্ব অধিক গধুৰ। আদিতে অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীক সংশোধন নকৰিলে পিচলৈ কৰা সহজ নহয়। শাস্তিমূলক ব্যৱস্থা নাইবা নিষ্ঠুৰ আচৰণৰ দ্বাৰা অপৰাধীক শুধৰাব নোৱাৰি। মৰম চেনেহ আৰু সহানুভূতিৰে যিমান সোনকালে অপৰাধী প্ৰৱণ ল'ৰা-ছোৱালীক সংশোধন কৰিব পাৰি আনেৰে তিমান সম্ভৱপৰ নহয়। এনেকুৱা অৱস্থাত শিক্ষক, অভিভাৱক সকল ধৈৰ্যশীল আৰু সহানুভূতিশীল হোৱা উচিত। তেতিয়াহে ফলদায়ক ফল আশা কৰিব পাৰি।

আনফালে আকৌ পাৰিবাৰিক দিশত অথাৎ ঘৰুৱা কাম কাজ, উৎসৱ পাৰ্বন আদিত মুকলি মূৰীয়াভাৱে যোগদান কৰিবলৈ ল'ৰা-ছোৱালীক কৰা আকৰ্ষণে আশানুৰূপ ফল দিয়ে। তদুপৰি শিক্ষকেও অভিজ্ঞতা ফলশ্ৰুতি হিচাপে অপৰাধ প্ৰৱণ ল'ৰা-ছোৱালীক নানান ধৰণৰ আনন্দ

দায়ক বিনোদনৰ সতে ব্যস্ত ৰাখিলে সিহঁতৰ অপৰাধ প্ৰৱণতাত বাধা জন্মে, লগতে সুপ্ত প্ৰতিভাবো বিকাশ হয়।

এইদৰে পৰিবেশ পৰিৱৰ্তনৰ দ্বাৰাও অপৰাধ প্ৰৱণতা নিবাৰণ কৰিব পাৰি। ই আৱেগজনিত পৰিবেশ আৰু সামাজিক পৰিবেশ পৰিবৰ্তনো হ'ব পাৰে। ধৰ্মানুষ্ঠান, স্কুল, খেলৰ দল আদিয়ে এনেকুৱা পৰিবৰ্ত্তনত অৱদান যোগায়।

সাধাৰণতে অসামাজিক কামত প্ৰতিৰোধ ঘটাব পাৰে শিক্ষানুষ্ঠান, পৰিয়াল আৰু সমাজে। সেয়েহে এই তিনিটাৰ মাজত এটা নিবিড় সম্পৰ্ক গঢ়ি উঠা উচিত। অন্যথায় প্ৰতিৰোধ ক্ষেত্ৰত বাধা জন্মিব। চৰকাৰেও এই ক্ষেত্ৰত পিচপৰি থকা অনুচিত। আইন প্ৰণয়নৰ ব্যৱস্থা, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি দৃষ্টি, বিনামূলীয়া শিক্ষা, চিকিৎসা, পুষ্টিকৰ খাদ্যৰ যোগান, আমোদ-প্ৰমোদৰ মনোগ্ৰাহী ব্যৱস্থা আদিৰ দায়িত্বত ৰাষ্ট্ৰৰ সতে সহযোগিতা কৰি পালন কৰা দৰ্কাৰ। ইউৰোপ, আমেৰিকা আদি দেশে অপৰাধ নিবাৰণৰ যথেষ্ট চেষ্টা চলাইছে। আমাৰ অসম তথা ভাৰতবৰ্ষইও এই ক্ষেত্ৰত কিছু পৰিমাণে অৰিহণা যোগোৱা দেখা যায়। গতিকে অপৰাধ প্ৰৱণ ল'ৰা ছোৱালীক সংশোধন বা প্ৰতিকাৰৰ ক্ষেত্ৰত যিবোৰ ব্যৱস্থাই আশু-সমাধান আনি দিব পাৰে, সেইবোৰৰ প্ৰতি দৃষ্টি ৰখা আমাৰ প্ৰধান কৰ্তব্য।

"মানুহ এনে এটা জটিল জীৱ যে তেওঁৰ কোনো সমস্যাৰেই সহজ সমাধান নাই। বৰং দেখা যায় যে এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ মানুহে আন দহটা নতুন সমস্যাৰ সৃষ্টি কৰে।"

—হোমেন বৰগোহাঞি।